জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৫৭/২০১৯

আন্তৰ্জাতিক নিচাযুক্ত দ্ৰব্য সেৱন আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱস পালনৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশ গ্ৰহণ

নিচামুক্ত সমাজ গঢ়াৰ বাবে সকলোৱে ঐক্যৱদ্ধভাৱে সংকল্প ল'ব লাগিব ঃ মুখ্যমন্ত্ৰী

দিছপুৰ, ২৬ জুন ঃ 'নিচাযুক্ত দ্ৰব্য সেৱন ৰোধ কৰা আৰু নিচাযুক্ত দ্ৰব্যৰ অবৈধ সৰবৰাহ বন্ধ কৰাৰ বাবে সমাজৰ প্ৰতিগৰাকী ব্যক্তি অত্যন্ত সজাগ আৰু সচেতন হ'ব লাগিব। সমাজখনে এই ক্ষেত্ৰত জাগ্ৰত প্ৰহৰীৰ ভূমিকা ল'ব লাগিব। আমাৰ যুৱক-যুৱতীসকলক সুস্থ সৱল মন আৰু সুস্বাস্থ্যৰ গৰাকী কৰি আগুৱাই লৈ যাব লাগিব। সেইবাবে অবৈধ নিচাযুক্ত দ্ৰব্যৰ বিৰুদ্ধে আমাৰ যুৱ প্ৰজন্মক অধিক সচেতন কৰি তুলিব লাগিব।' আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী শংকৰদেৱ আৰ্ন্তজাতিক প্ৰেক্ষাগৃহত সমাজ কল্যাণ বিভাগ, নাৰ্কটিক কন্ট্ৰল ব্যুৰো, গুৱাহাটী মহানগৰ আৰক্ষী আৰু অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান বিভাগৰ দ্বাৰা আয়োজিত আৰ্ন্তজাতিক নিচাযুক্ত দ্ৰব্য সেৱন আৰু অবৈধ সৰবাৰহ বিৰোধী দিৱসৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই দিৱস উদ্‌যাপনৰ জৰিয়তে নিচাযুক্ত দ্ৰব্য সেৱন আৰু সৰবৰাহৰ বিৰুদ্ধে জনজাগৰণৰ সূচনা কৰি এখন সুস্থ সমাজ নিৰ্মাণ কৰিব লাগিব। সুস্থ মনৰ বাবে সৱল স্বাস্থ্যৰ গৰাকী হ'ব লাগিব। নিচাযুক্ত দ্ৰব্য সেৱনৰ অপকাৰিতা সম্পৰ্কত সমাজত শক্তিশালী চেতনা জাগ্ৰত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জনসাধাৰণে শান্তি বিচাৰে। সেইবাবে মানৱীয় প্ৰমূল্যবোধ বিকশাই তুলি এখন শ্ৰেষ্ঠ ৰাজ্য গঢ় দিয়াৰ মানসিকতাৰে আমি আগবাঢ়িব লাগিব। অপসংস্কৃতি, অন্ধবিশ্বাসৰ লেখীয়া ব্যাধি সমূহ আঁতৰ কৰাৰ বাবে প্ৰৱল জনমত গঢ়িব লাগিব। নিচাযুক্ত দ্ৰব্যই সমাজৰ গতিশীলতাক বাধাপ্ৰাপ্ত কৰে। বহু ঘটনাৰ অন্তৰালত ড্ৰাগছ সেৱনৰ লেখীয়া ঘটনা জড়িত থকাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কম বয়সতে আৱেগিক মূহুৰ্তত ড্ৰাগছ আসক্ত হৈ বহু ছাত্ৰ-ছাত্ৰী লক্ষ্যভ্ৰস্ত, হতাশগ্ৰস্ত আৰু দিশহাৰা হয়। এনে ব্যক্তিয়ে পৰিয়াল, সমাজ আৰু ৰাষ্ট্ৰ নিৰ্মাণ কৰিব নোৱাৰে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে নিচাযুক্ত দ্ৰব্য সেৱন কৰা লোকসকল সমাজৰ বাবে বোজা স্বৰূপ হয় আৰু সমাজখনৰ কাৰণে নেতিবাচক দিশ বহন কৰে। সেইবাবে জ্যেষ্ঠ নাগৰিক, স্বেচ্ছাসেৱী সংগঠন, শিক্ষক-অভিভাৱক সকলোৱে মিলিত হৈ মহাব্যাধি ড্ৰাগছৰ গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ শক্তিশালী সজাগতাৰ সৃষ্টি কৰিব লাগিব।

ড্ৰাগছ সমাজ আৰু শৰীৰৰ বাবে অত্যন্ত ক্ষতিকাৰক বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ ফলত ব্যক্তি, সমাজ ক্ষতিগ্ৰস্ত হোৱাৰ উপৰি পৰিৱেশ বিনষ্ট হয়। মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ মহা মহা মনীষী আৰু বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিয়ে মূল্যবোধৰ শিক্ষা দিছে আৰু সেই মূল্যবোধ মানৱীয় ধ্যান-ধাৰণাৰে ৰক্ষা কৰিব লাগিব। এই ক্ষেত্ৰত নিচাযুক্ত দ্ৰব্যই প্ৰতিৰন্ধকতাৰ সৃষ্টি কৰে আৰু সেইবাবে নিচামুক্ত এখন সমাজ গঢ়াৰ বাবে সংকল্প ল'ব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এইখন সমাজে যুগে-যুগে স্বকীয় বৈশিষ্ট্য অটুত ৰাখি মৰ্যাদা সহকাৰে নিজৰ দায়িত্ব পালন কৰি আহিছে। প্ৰতিগৰাকী ব্যক্তি সুস্থ মন আৰু শৰীৰৰ অধিকাৰী হ'ব লাগিলে ড্ৰাগছৰ লেখীয়া মহাব্যাধিৰ পৰা যুৱ সমাজক মুক্ত কৰি ৰখাৰ বাবে আমি

সকলোৱে মিলিত প্ৰচেষ্টা চলাব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালনৰ বাবে লোৱা দৃঢ় পদক্ষেপৰ বাবে আজি সমগ্ৰ বিশ্বই এইটো উপলব্ধি কৰিছে যে এখন সুস্থ সমাজ তথা সুস্থ শৰীৰ গঠনৰ দিশত যোগে বিশেষ অৰিহণা যোগাব পাৰে। নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ জৰিয়তে সমাজৰ ক্ষতি কৰা লোকসকলক চিনাক্ত কৰিব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে এই ক্ষেত্ৰত সমাজখনৰ সকলো শ্ৰেণীৰ লোকক উল্লেখযোগ্য ভূমিকা ল'বলৈও আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে আমি অসমক ড্ৰাগছ মুক্ত ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰি চুবুৰীয়া ৰাজ্য আৰু ৰাষ্ট্ৰক অনুপ্ৰাণিত কৰিব লাগিব।

আজিৰ এই অনুষ্ঠানত সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমীলা ৰাণী ব্ৰহ্ম, আৰক্ষী সঞ্চালক প্ৰধান কুলধৰ শইকীয়া, মহানগৰ আৰক্ষী আয়ুক্ত দীপক কুমাৰে ভাষণ প্ৰদান কৰাৰ উপৰি অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান ড° এল আৰ বিষ্ণুইয়ে ড্ৰাগছৰ অপকাৰিতাৰ বিভিন্ন দিশ সামৰি এক প্ৰেজেন্টেশ্যনো আগবঢ়ায়। সমাজ কল্যাণ বিভাগৰ সচিব হেমেন দাসে আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত নাৰ্কটিক কন্ট্ৰল ব্যুৰোৰ ক্ষেত্ৰীয় সঞ্চালক ৰাকেশ চন্দ্ৰ শুক্লা, সমাজ কল্যাণ বিভাগৰ সঞ্চালক জুৰি ফুকন প্ৰমুখ্যে গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

পুঃডেঃ / বঃভা
২৬/৬/২০১৯